# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত কালি ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২টা সমষ্টিত সামগ্ৰিকভাৱে ৬৮ শতাংশৰো অধিক ভোটদান হয়। অসমত এই পৰ্যায়ত ৭৫ দশমিক ৯-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে।

২। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ভোটদাতাৰ সঁহাৰিত সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে আজি কৰ্ণাটকত প্ৰচাৰ চলাব।

৪। অসম হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচন কালি দুই এটা বিক্ষিপ্ত ঘটনাৰ বাহিৰে প্ৰায় শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। এই পৰ্যায়ত ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০২টা সমষ্টিত হোৱা নিৰ্বাচনত সামগ্ৰিকভাৱে ৬৮ শতাংশৰো অধিক ভোটদান হয়। তথ্য অনুসৰি অসমত ৭৫ দশমিক ৯-৫, মণিপুৰত ৭২ দশমিক ১-৭, ছিকিমত ৮০ দশমিক শূন্য-৩, বিহাৰত ৪৮ দশমিক ৮-৮, ছত্তিশগড়ত ৬৭ দশমিক ৫-৬, উত্তৰ প্ৰদেশত ৬০ দশমিক ২-৫, মহাৰাষ্ট্ৰত ৬১ দশমিক ৮-৮, ৰাজস্থানত ৫৭ দশমিক ২-৫, অৰুণাচল প্ৰদেশত ৭২ দশমিক ৭-৪, মেঘালয়ত ৭৪ দশমিক ৫-০, মিজোৰামত ৫৬ দশমিক ৬-০, নাগালেণ্ডত ৫৬ দশমিক ৯-১, ত্ৰিপুৰাত ৮১ দশমিক ৬-২ আৰু পশ্চিম বংগত ৮০ দশমিক ৫-৫ শতাংশ ভোটদাতাই ভোটদান কৰে।

এই পৰ্যায়ত মুঠ এহেজাৰ ৬২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, নীতিন গাডকাৰী, কিৰেণ ৰিজিজু, জিতেন্দ্ৰ সিং, সঞ্জীৱ বালিয়ান, কংগ্ৰেছ নেতা গৌৰৱ গগৈ, কাৰ্তি চিদম্বৰম, নকুল নাথ, ডি এম কেৰ দয়ানিধি মাৰাণ, বিজেপি নেতা তামিলছাই সৌন্দৰৰাজন আৰু জিতিন প্ৰসাদ অন্যতম।

লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ অৰুণাচল প্ৰদেশ আৰু ছিকিমত কালি এটা পৰ্যায়ত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি অৰুণাচল প্ৰদেশ বিধানসভা নিৰ্বাচনত ৭৬ দশমিক ৪-৪ আৰু ছিকিমত ৭৯ দশমিক ৮-৬ শতাংশ ভোটদান সম্পন্ন হয়।

নিৰ্বাচন আয়োগে ভোটদাতা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলোকে ধন্যবাদ জনাইছে। ছত্তিশগড়ৰ বাষ্টাৰৰ ৫৬ খন গাওঁ আৰু গ্ৰেট নিকোবৰৰ ছোম্পেন জনজাতিৰ লোকসকলে এইবাৰ প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰে।

ooooooo

অসমত এই পৰ্যায়ত নিৰ্বাচন হোৱা কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত সামগ্ৰিকভাৱে ৭৫ দশমিক ৯-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ৰাজ্যখনত প্ৰথম পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা ৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৪ গৰাকী মহিলা।

প্ৰাপ্ত তথ্য অনুসৰি **শোণিতপুৰ** সমষ্টিত ৭৪ দশমিক ৮-১ শতাংশ, **কাজিৰঙা** সমষ্টিত ৭৫ দশমিক ৭-৯ শতাংশ, **ডিব্ৰুগড়** সমষ্টিত ৭৬ দশমিক ৭-৪ শতাংশ, **লখিমপুৰ** সমষ্টিত ৭২ দশমিক ৬-৫ শতাংশ আৰু **যোৰহাট** সমষ্টিত ৭৯ দশমিক ৪-৮ শতাংশ ভোটদান হয়।

ooooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে। এই পৰ্যায়ত ৭ মে'ত দেশৰ ১০খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৯৪টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব আৰু পৰহিলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

ooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ভোটদাতাৰ সঁহাৰিত সন্তুষ্টি প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰৰ নান্দেডত আজি এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে ভোটদানৰ এই ধাৰা পৰৱৰ্তী পৰ্যায়কেইটাতো অব্যাহত ৰাখিবলৈ আহ্বান জনায়। তেওঁ গণতন্ত্ৰৰ বাবে শাসকীয় দল আৰু বিৰোধী দলসমূহে অক্লান্তভাৱে কাম কৰি যোৱাত গুৰুত্ব দিয়ে। জনসভাত দিয়া ভাষণত শ্ৰী মোদীয়ে এন ডি এ চৰকাৰৰ বিভিন্ন সাফল্যৰ খতিয়ান দিয়ে। এই ক্ষেত্ৰত তেওঁ মহিলাৰ বাবে অনাময় ব্যৱস্থা, দৰিদ্ৰ লোকৰ বাবে বেংক একাউণ্টৰ সুবিধা, ডিজিটেল ভাৰত আৰু ইউ পি আই প্ৰযুক্তিৰ উদাহৰণ দিয়ে। কংগ্ৰেছক সমালোচনা কৰি শ্ৰী মোদীয়ে কয় যে, দলটোৱে ইউ পি আই প্ৰযুক্তি, নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধীতা কৰাৰ লগতে মহাৰাষ্ট্ৰক সদায় অনাদৰ কৰি আহিছে। শ্ৰী মোদীয়ে তেওঁৰ চৰকাৰে কিষাণ সন্মান নীধি আঁচনিৰ জৰিয়তে কৃষকৰ স্বাৰ্থত কাম কৰা বুলি দাবী কৰে। তেওঁ লগতে দেশ বিভাজনৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলক ন্যায় প্ৰদানৰ বাবে নাগৰিকত্ব আইনৰ সংশোধন কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে, ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি কৰি গঢ়ি তোলাৰ বাবে তেওঁ প্ৰতিশ্ৰুতিবদ্ধ।

নান্দেড আৰু হিংগোলী লোকসভা সমষ্টিত ২৬ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। আজিৰ জনসভাত মুখ্যমন্ত্ৰী একনাথ ছিন্দে, বিজেপিৰ সাংসদ অশোক চৱন্ত আৰু আৰ পি আইৰ সভাপতি তথা কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ৰামদাস আথাৱালে উপস্থিত থাকে।

ooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰীয়ে আজি বিয়লি কৰ্ণাটকত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলাব। তেওঁ ছিকবল্লপুৰ জিলাৰ চক্কাহালি গাঁৱত এখন জনসভাত ভাষণ দিব। সন্ধিয়া শ্ৰী মোদীয়ে বেংগালুৰুতো এখন জনসভাত অংশগ্ৰহণ কৰিব। দুয়োখন জনসভাতে তেওঁ ছটা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ মিত্র দল জে ডি এছে কোলাৰ সমষ্টিত প্ৰাৰ্থী দিছে আৰু দলটোৱে আজি শ্ৰী মোদীৰ জনসভাত অংশগ্ৰহণ কৰিব। ৰাজ্যখনত দ্বিতীয় পৰ্যায়ত ১৪ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ইয়াৰ বাবে বিভিন্ন দলৰ প্ৰচাৰ সম্প্ৰতি তুংগত উঠিছে। কংগ্ৰেছে কেইদিনমান পূৰ্বে কোলাৰত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। দলৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীৰ লগতে মুখ্যমন্ত্ৰী ছিদ্দাৰামাইয়া আৰু উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে প্ৰচাৰ সভাত ভোটদাতাৰ মন আকৰ্ষণৰ চেষ্টা কৰে। আজি মহীশূৰত মুখ্যমন্ত্ৰী ছিদ্দাৰামাইয়াই আৰু মাণ্ড্যাত উপ-মুখ্যমন্ত্ৰী শিৱকুমাৰে প্ৰচাৰ চলাব।

০০০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত আজি ঘোষণা কৰা হৈছে। এইবাৰৰ পৰীক্ষাত মুঠ চাৰি লাখ ১৯ হাজাৰ ৭৮ গৰাকী পৰীক্ষাৰ্থী আৱতীৰ্ণ হৈছিল। ইয়াৰে তিনি লাখ ১৭ হাজাৰ ৩১৭ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। পৰীক্ষাৰ্থীসকলৰ এক লাখ ৫ হাজাৰ ৮৭৩ গৰাকী প্ৰথম বিভাগ, এক লাখ ৫০ হাজাৰ ৭৬৪ গৰাকী দ্বিতীয় বিভাগ আৰু ৬০ হাজাৰ ৬৮০ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। সামগ্ৰীকভাৱে ৭৫ দশমিক ৭ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

ফলাফল অনুসৰি যোৰহাটৰ প্ৰজ্ঞা একাডেমী চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অনুৰাগ দলৈ ৫৯৩ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান দখল কৰে। বিশ্বনাথ চাৰিআলিৰ শংকৰদেৱ শিশু বিদ্যা নিকেটনৰ ঝৰ্ণা শইকীয়াই ৫৯০ নম্বৰ লাভ কৰি দ্বিতীয় স্থান লাভ কৰে। মাজুলীৰ আইলেণ্ড একাডেমীৰ মানস প্ৰতীম শইকীয়াই ৫৮৮ নম্বৰ লাভ কৰি তৃতীয় স্থান দখল কৰে। বৰপেটাৰ ষ্টেলা মেৰী স্কুলৰ বেদান্ত চৌধুৰীয়ে ৫৮৮ নম্বৰ লাভ কৰি চতুৰ্থ স্থান লাভ কৰে। নগাঁৱৰ ৰামানুজন ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ দেৱাশ্ৰী কাশ্যপে ৫৮৮ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰত পঞ্চম স্থান দখল কৰে।

০০০০০০০

দিল্লীৰ এখন আদালতে আজি দিল্লীৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ চিছোদিয়াৰ জামিন আবেদনৰ ৰায়দান স্থগিত ৰাখে। ৰোজ এভিনিউ আদালতৰ বিশেষ ন্যায়াধীশ কাবেৰী বাবেজাই ৩০ এপ্ৰিল তাৰিখে এই আবেদনৰ ৰায়নদান কৰা হ'ব বুলি জানিবলৈ দিয়ে।

ইডি আৰু চিবিআইৰ দুয়োটা গোচৰতে দিল্লীৰ বিচাৰ আদালত, দিল্লী উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ে মনীষ চিছোদিয়াৰ জামিন আবেদন প্ৰত্যাহাৰ কৰিছিল। লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে তেওঁ অন্তৰ্বৰ্তীকালীন জামিনৰ আবেদন কৰিছিল। মনীষ চিছোদিয়া যোৱা বছৰৰ ফেব্ৰুৱাৰীৰ পৰা সুৰা নীতি গোচৰ সম্পৰ্কীয় অবৈধ ধন সৰবৰাহ সন্দৰ্ভত গ্ৰেপ্তাৰ হৈ আৰক্ষীৰ জিম্মাত আছে।

০০০০০০০

গুজৰাটত নিৰ্বাচন হ'বলগীয়া ২৬ টা লোকসভা সমষ্টিত ৪৯১ খন মনোনয়ন পত্ৰ দাখিল হৈছে। ৰাজ্যখনত বিধানসভাৰ ৫খন আসনৰ বাবেও উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। এইকেইখন আসনৰ বাবে ৩৯ খন মনোনয়ন পত্ৰ দাখিল হৈছে। লোকসভা নিৰ্বাচনৰ বাবে কালি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আছিল আৰু আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি চোৱা হ'ব। ইচ্ছুক প্ৰাৰ্থীয়ে ২২ এপ্ৰিললৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ৰাজ্যখনত ৭ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি গান্ধীনগৰ লোকসভা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি চি আৰ পাটিলেও কালি নৱছাৰি সমষ্টিত মনোনয়ন পত্ৰ দাখিল

কৰে। আনহাতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৰেশ ধানানিয়ে ৰাজকোট লোকসভা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

লক্ষ্নৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্নৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে। লক্ষ্নৌ ছুপাৰ জায়েণ্টছে ১৭৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত দুটা উইকেট হেৰুৱাই ১৮০ ৰাণ কৰে। লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ হৈ কে এল ৰাহুলে ৫৩টা বলত ৮২ ৰাণ কৰে।  ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰাণ কৰে। দলটোৰ হৈ ৰবিন্দ্ৰ জাদেজাই সৰ্বাধিক ৫৭ ৰাণ কৰে। লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ ক্ৰুনাল পাণ্ডিয়াই দুটা উইকেট দখল কৰে। কে এল ৰাহুলক প্লেয়াৰ অৱ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

**ঃ সমাপ্ত ঃ**